অধ্যায় ২ ঃ অসমীয়া লোকসংস্কৃতিৰ শ্ৰেণীবিভাজন

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ অসমীয়া লোকসংস্কৃতিৰ চমু পৰিচয়
২.৪ অসমীয়া লোকসংস্কৃতিৰ শ্ৰেণী বিভাজন
২.৪.১ মৌখিক সাহিত্য বা বাচিক কলা
২.৪.২ ভৌতিক সংস্কৃতি
২.৪.৩ সামাজিক লোকাচাৰ
২.৪.৪ লোক-পৰিৱেশ্য কলা
২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৬ অধিক জানিবলৈ
২.৭ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)
২.৮ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া লোকসংস্কৃতি কি, কেনেধৰণৰ সেই সম্পৰ্কে জ্ঞান লাভ কৰিব
- অসমীয়া লোকসংস্কৃতিৰ শ্ৰেণীবিভাগ সম্পৰ্কে জানিব পাৰিব
- অসমীয়া মৌখিক বা বাচিক কলা সম্পৰ্কে জানিব পাৰিব
- ভৌতিক সংস্কৃতিৰ বিষয়ে জ্ঞান লাভ কৰিব
- অসমীয়া সামাজিক লোকাচাৰসমূহৰ বিষয়ে জানিব পাৰিব
- অসমৰ লোক-পৰিৱেশ্য কলা সম্পৰ্কে বিশেষ জ্ঞান লাভ কৰিব পাৰিব।

২.২ পৰিচয়

ইয়াৰ পূৰ্বৱৰ্তী অধ্যায় কেইটিত আপুনি সংস্কৃতিৰ স্বৰূপ, অসমীয়া লোকসংস্কৃতিৰ সাধাৰণ আভাস লাভ কৰিলে।এই অধ্যায়টিত আপুনি অসমীয়া লোকসংস্কৃতিৰ শ্ৰেণী বিভাগ আৰু শ্ৰেণীসমূহৰ বিষয়ে বিতংভাৱে অধ্যয়ন কৰিব। অধ্যায়টিত অসমৰ ভৌতিক, সামাজিক, লোক-পৰিৱেশ্য কলাৰ বৈচিত্ৰ্যপূৰ্ণ দিশসমূহ অধ্যয়ন কৰিব। অসমৰ জনজীৱনৰ বিভিন্ন দিশৰ জ্ঞান, কাৰুকাৰ্য, গীত-মাত, নাট, সাহিত্য, ভাস্কৰ্য্য-স্থাপত্যৰ লগত পৰিচিত হ'ব পাৰিব।

২.৩ অসমীয়া লোক সংস্কৃতিৰ চমু পৰিচয়

লোকসংস্কৃতি এটা জাতি বা এখন সমাজৰ বা এটা গোষ্ঠীৰ জীৱনজোৰা অভিব্যক্তি। লোকজীৱনৰ পৰম্পৰাগত ৰূপৰ মাধ্যমেদি ইয়াক অনুধাৱন কৰিব পাৰি। লোকজীৱনৰ ঐতিহ্যময় সংস্কৃতিৰ দ্বাৰা এটা জাতিৰ সভ্যতা নির্ণয় হয়। সেই সভ্যতা-সংস্কৃতিৰ ক্ষেত্ৰত লোকজীৱনৰ অৱদান অনস্বীকার্য। লোকজীৱনৰ ঐতিহ্যই অসমীয়া সংস্কৃতিৰ ঐতিহ্যপূর্ণ সংস্কৃতি। বৈচিত্র্যময় অসমৰ বৈচিত্র্যপূর্ণ জনগোষ্ঠীয় সম্প্রদায়সমূহৰ বাৰেৰণীয়া ৰীতি-পৰম্পৰা, লোকাচাৰ, উৎসৱ-পার্বণ, নৃত্য-গীত, সাজ-পাৰ, অলঙ্কাৰ প্রভৃতিৰে লোকসংস্কৃতি সমুজ্জল।

ঊনবিংশ শতিকাৰ বৃটিছ সমাজ বিজ্ঞান আৰু নৃতত্ত্ববিদৰ মতে যিসকল মানুহ আদিম আৰু অভিজাত শ্ৰেণীৰ মধ্যৱর্তী অর্থাৎ যিসকল আদিম নহয়, আনফালে অভিজাতো নহয়, যিসকল আদিম স্তৰৰ পৰা গঞা স্তৰলৈ আগবাঢ়িছে সেই শ্ৰেণীৰ মানুহেই 'লোক'। এই 'লোক'সকল অতীতমুখী যুক্তিতকৈ বিশ্বাসত অধিক গুৰুত্ব প্রদানৰ প্রতি আগ্রহী, যাদুমন্ত্র আশ্রয়ী, শিল্পজাত সামগ্রীতকৈ হস্তনির্মিত সঁজুলি বা সামগ্রীকতুলনামূলকভাৱে অধিক গুৰুত্ব প্রদানকাৰী। তেওঁলোক প্রায়ে নিৰক্ষৰ; কিন্তু শিক্ষিত বা জ্ঞানী, মৌখিক পৰম্পৰা আশ্রয়ী, অনগ্রসৰ সমাজৰ নিম্নস্তৰৰ আৰু প্রায়ে কোনো এটা অঞ্চলৰ প্রান্ত্যভাগ-নিবাসী।

এই বৈশিষ্ট্যসমূহৰ পৰাই জানিব পাৰি কোনো এটা সম্প্রদায় বা নৃগোষ্ঠীৰ সামগ্রিক জীৱন পদ্ধতিৰ নামেই লোকসংস্কৃতি। সমাজৰ সর্বস্তৰৰ সৈতে লোকসংস্কৃতিৰ সম্পর্ক ৰক্ষিত হৈ আহিছে। এলেন ডাণ্ডেচৰ মতে ন্যূনতম এটা উমৈহতীয়া উপাদানৰ অংশীদাৰ কোনো এক জনসমষ্টিয়েই লোক বা Folk। এই ন্যূনতম উপাদানটো ভাষা, ধর্ম, ব্যৱসায় আদিও হ'ব পাৰে যিয়ে বিশেষ এটা জনগোষ্ঠীৰ সদস্যসকলৰ মাজত সম্পর্ক বা সম্বন্ধ ৰক্ষা কৰিব পাৰে। এই ক্ষেত্রত অতি প্রয়োজনীয় চর্ত হৈছে— যি উমৈহতীয়া উপাদানৰ কাৰণে সেই জনগোষ্ঠী গঠিত নহওক কিয় তাত বর্তমান থাকিব লাগিব পৰম্পৰা আৰু এই পৰম্পৰাক তেওঁলোকে নিজৰ বুলি গ্রহণ কৰিবলৈ সক্ষম হ'ব লাগিব। মুঠতে লোকজীৱনৰ পৰম্পৰাগত সংস্কৃতিয়ে লোকসংস্কৃতি। লোকসংস্কৃতিৰ অন্তর্ভুক্ত বিষয়সমূহ হৈছে—মিথ কথা, জনশ্রুতি,সাধুকথা, সাঁথৰ প্রবাদ-প্রবচন, লোকোক্তি, আবৃতি-দৃষ্টান, মন্ত্র, অভিশাপ, আশীর্বাদ, প্রতিশোধ, গালি গালাজ, শাও শপনি, শপত, অপমান, অমর্যাদা, উপহাস, মঙ্গল কামনা, কুবচন, অশ্লীল শব্দ উচ্চাৰণ, সম্বর্ধনা, পোছাক পৰিচ্ছদ, বেশভূষা, অয়-অলঙ্কাৰ, লোকনৃত্য, নাট, লোককলা, লোকবিশ্বাস, লোকঔষধ, চিকিৎসা পদ্ধতি, জ্যোতিষ ভেষজ, জ্ঞান বিজ্ঞান, সঙ্গীত, গীত-পদ, বাদ্যযন্ত্র, স্থানৰ নাম, লোককবিতা, খেল-ধেমালি, ৰন্ধন প্রকৰণ, খাদ্য সামগ্রী, জগৎ-জীৱন, জন্ম-মৰণ, আকাশ-পৃথিৱী, সাগৰ, চাং-হেদালি, নাঙল, কোৰ, মৈ, জাপি, ঢৰা-ঢাৰী, পীৰা-মূঢ়া, জাকৈ-খালৈ, পলো, জুলুকি, জাল-খেৱালী, ঘৰ-বাৰী, বেৰ, হেঙাৰ-জেওৰা, দুৱাৰ-খিৰিকী আদি প্রস্তুতকৰণ, চিঞৰ-বাখৰ, জীৱ-জন্তু, ব্রত-উপবাস, উৎসৱ অনুষ্ঠান ইত্যাদি।

২.৪ অসমীয়া লোকসংস্কৃতিৰ শ্রেণী বিভাজন

অসমীয়া লোকসংস্কৃতিৰ বিষয়ে আলোচনা কৰিবলৈ হ'লে অসমৰ ঐতিহাসিক, ভৌগোলিক, নৃতাত্ত্বিক, সামাজিক, ভাষাতাত্ত্বিক আদি বিভিন্ন দিশৰ কথা আহি পৰে। অসমৰ লোকজীৱনক দুটা ভাগত ভাগ কৰা দেখা যায়— এটা হ'ল জনজাতীয় লোকজীৱন আৰু আনটো অজনজাতীয় লোকজীৱন। জনজাতীয়সকলৰ ভিতৰত পৰে— বড়ো, কছাৰী, কাৰবি, মিছিং, তিৱা, ডিমাছা, দেউৰী-চুতীয়া, হাজং, ৰাভা আদি। আনহাতে, অজনজাতীয় লোকসকল হ'ল— ব্রাহ্মণ, কায়স্থ, কলিতা, কেওট, কোচ, ৰাজবংশী আদি। ধর্মৰ ফালৰ পৰা অসমত হিন্দু, মুছলমান, খ্রীষ্টিয়ান, বৌদ্ধ, জৈন, শিখ আদি ধর্মৰ লোকেই সর্বাধিক। অসমৰ সৰহ সংখ্যক অধিবাসীয়েই কৃষিৰ ওপৰত নির্ভৰশীল হোৱা বাবে জীৱন-পদ্ধতি, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আৰু জাগতিক দৃষ্টিভঙ্গী পৰম্পৰা আশ্রয়ী। জনজীৱনৰ সংযুতিৰ দৰে অসমীয়া সংস্কৃতিতো জনজাতীয় সংস্কৃতিৰ গভীৰ প্রভাৱ দেখা যায়। অসমীয়া লোকসংস্কৃতি সমন্বয় প্রক্রিয়াৰ আধাৰত সৃষ্ট। বিভিন্ন নৃগোষ্ঠীয় সমলেৰে অসমীয়া লোকসংস্কৃতিৰ জন্ম হয়। অসমীয়া লোকসংস্কৃতি চাৰিটা ভাগত পোৱা যায়— মৌখিক লোকসংস্কৃতি, ভৌতিক লোকসংস্কৃতি, সামাজিক লোকসংস্কৃতি আৰু লোক-পৰিৱেশ্য কলা ।

মৌখিক লোকসংস্কৃতিৰ ভিতৰত পৰে— লোককবিতা, লোককাহিনী, লোকোক্তি, লোকভাষা আদি। বিহুগীত, হুঁচৰি, বিয়ানাম, ভাৱাইয়া, চটকা, মৈসালী, মাউত গীত, বন্দনা স্তুতি বিষয়ক গীত, দেহবিচাৰৰ গীত, জিকিৰ জাৰী, বাৰমাহী, নৈদানিক, বেলাড, নিচুকণি গীত, ধাইনাম, কর্মগীত, গৰখীয়া গীত, নাঙেলী গীত আদি, মিচিঙৰ অইনিতম, কবান নিতম, দয়িং নিতম, মিদাং নিতম, ডিমাছাৰ প্রার্থনা গীত, বিসুগীত, প্রেম প্রণয়মূলক গীত ইত্যাদি। বৰোসকলৰ বৈসাগু গীত, প্রেম প্রণয়মূলক গীত, প্রার্থনা, দার্শনিক গীত, সোণোৱালসকলৰ হাইদাং গীত ইত্যাদি। লোককাহিনীৰ ক্ষেত্রত অসমীয়া লোকসংস্কৃতিত বহুতো নিদর্শন পোৱা যায়। যোজনা, পটন্তৰ সাঁথৰ, দিষ্টান, ফকৰা, নিচুকণি গীত, ধাইনাম আদিৰেও অসমৰ লোকসংস্কৃতি পুষ্ট।

ভৌতিক সংস্কৃতিৰ পৰিসীমাত প্রাত্যহিক জীৱনৰ প্রয়োজনীয় ভৌতিক বস্তুবোৰ সামৰিব পাৰি— বাচন-বর্তন, ঘৰ-দুৱাৰ, অয়-অলঙ্কাৰ, স্থাপত্যবিদ্যা, ৰন্ধন প্রণালী, চিত্রকলা আদি ভৌতিক সংস্কৃতি।

সামাজিক লোকাচাৰৰ ভিতৰত পৰে—উৎসৱ-অনুষ্ঠান, খেল-ধেমালি, লোকঔষধ আৰু লোকধর্ম। বিভিন্ন উৎসৱ অনুষ্ঠানৰ ভিতৰত বিহু, বৈসাগু, বিসু, লিগাং, ভঠেলি, সুৰী, পাৱৰা, বায়খো, পচতি, মথনী, দেউল, হুদুম পূজা, ভেকুলিৰ বিয়া, বাম্বোলপিতা, আমেতি, হাছাং, হাগ্রাম ছাৱা, বৰত, চমাঙ্কান, ফাৰকান্তি ইত্যাদি, বিভিন্ন খেল-ধেমালি, বিভিন্ন বেজ-ওজাৰ চিকিৎসা পদ্ধতি, বনৌষধি, যাদু, ধর্ম ইত্যাদি বোৰেই সামাজিক লোকাচাৰ।

লোক-পৰিৱেশ্য কলাই লোকসংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰিছে। পুতলা নাচ, ঢুলীয়া, খুলীয়া, ভাওৰীয়া, ওজাপালি, দেওধানী, দেৱদাসী, কুশানগান, ভাৰীগান, ভাওগান, খেৰাই, বাগৰুম্বা

ইত্যাদি ধৰ্মীয় প্ৰসঙ্গৰ সৈতে জড়িত দৃশ্য-শ্ৰব্য কলা ৰূপৰ লগৰ মিথ জনশ্ৰুতি আদিও সম্পৃক্ত হৈ থকা দেখা যায়।

২.৪.১ মৌখিক সাহিত্য বা বাচিক কলা

মৌখিক সাহিত্যৰ ভিতৰত মালিতাই প্ৰধান। মালিতাৰ কেবাটাও শ্ৰেণী পোৱা যায়। ইয়াৰ ভিতৰত অসমীয়া সমাজত প্ৰচলিত শিৱ বা মহাদেৱ, কুবেৰ, বিষ্ণু দেৱতা, দূৰ্গা, পদ্মাৱতী, শীতলা, নেতা, শুবচনী আদিৰ উৎপত্তিমূলক বৰ্ণনা পোৱা যায়। অসমীয়া লোকসমাজত এই মালিতাবোৰ মনসা পূজাত ওজাপালিৰ নিচিনা পৰিৱেশ্য কলাই আবৃত্তি কৰে। আইনামত আইৰ জন্ম বৃত্তান্তমূলক মালিতা পৰিৱেশন কৰে। এইবোৰ হ'ল পুৰাণ বিষয়ক মালিতা। গছ, বৃক্ষ, লতা, লতিকা, জগৎসৃষ্টিৰ উপৰিও অসমীয়া ভাষাত নৈদানিক মালিতাৰ সংখ্যা অলেখ। ঢেকীৰ জন্ম, পিঠাগুৰিৰ জন্ম, তালৰ জন্ম, ঢোলৰ জন্ম, তামোল-পাণৰ জন্ম, মৰাপাটৰ জন্ম, কুমাৰৰ জন্ম, কমাৰৰ চৰুৰ জন্ম, কুঁহিয়াৰৰ জন্ম নৈদানিক মালিতা।

অসমীয়া ভাষাত ৰচিত আৰু বৰ্তমানলৈ সংগৃহীত ঐতিহাসিক মালিতাৰ ভিতৰত বৰফুকনৰ গীত, পদ্মকুমাৰীৰ গীত, বাখৰ বৰাৰ গীত, পথৰুঘাটৰ ৰণ, ফুলগুৰিৰ ধেৰা, ৰঙিয়াৰ কৃষক বিদ্ৰোহ, গান্ধীৰ গীত ইত্যাদি। জনশ্ৰুতিমূলক মালিতা হ'ল সতী ৰাধিকাৰ গীত, পাৰিজাতৰ গীত, কেন্দুকলাইৰ গীত, বেউলা লখাইৰ গীত, বৰ নদীৰ গীত, ভৰলীৰ গীত ইত্যাদি।

অসমীয়া ভাষাত ৰচিত বৰ্তমানলৈকে সংগৃহীত যাদুমূলক মালিতাসমূহৰ ভিতৰত মণিকোঁৱৰৰ গীত, ফুলকোঁৱৰৰ গীত, কমলা কুঁৱৰীৰ গীত, তেজীমলাৰ গীত, জনা গাভৰুৰ গীত, চিকণ সৰিয়হৰ গীত উল্লেখযোগ্য। ব্যংগাত্মক মালিতাৰ ভিতৰত কানীয়া, চাহৰ অপকাৰিতা, চাৰ্কাচ দলৰ টকা ঘটাৰ উপায়, মন্ত্ৰী, এম.এল.এ., বিষয়া, মৌজাদাৰ, গাঁওবুঢ়া আদিৰ অসামাজিক কাৰ্যাৱলী, বোৱা কটাত অসাধাৰণ মহিলা, স্বামীক হত্যা কৰা নাৰী, শাক-পাচলি, মাছ-মঙহ নোপোৱা দুৰ্দিন আদি ব্যংগাত্মক মালিতাৰ বিষয়। নামনি অসমৰ ছংবোৰ ব্যঙ্গাত্মক মালিতাৰ আবৃত্তি আৰু তাৰ লোকধৰ্মী নাট্যানুষ্ঠানৰ ওপৰত নিৰ্ভৰশীল। অসমীয়া লোকসমাজত প্ৰচলিত বাস্তৱানুগ মালিতা নামনি অসমৰ বিশেষকৈ অবিভক্ত কামৰূপ জিলাৰ দৰং অঞ্চলত পোৱা যায়। দুৱলাশান্তিৰ গীত, সাউদৰ গীত, কন্যা বাৰমাহী, হাজোৰ হাইদোৰ গাজীৰ গীত, সাউদৰ গীত ইত্যাদি।

- অসমীয়া ভাষাত মৌখিক ৰূপত প্ৰচলিত আৰু বৰ্তমান লিখিত ৰূপত প্ৰাপ্ত মনসা গীত, পদ্মাপুৰাণ, বৰফুকনৰ গীত, পথৰুঘাটৰ ৰণ, বাদলি পুৰাণ আদিয়ে লোককাব্য বা মহাকাব্য বা উপপুৰাণৰ ভূমিকা পালন কৰি আহিছে। কাৰ্বি ভাষাৰ চাবিন আলুন লোককাব্য।

- ধর্মীয় গীতৰ ভিতৰত আইনাম উল্লেখযোগ্য। শুবচনী নাম, লক্ষ্মীদেৱীৰ নাম, দুর্গাদেৱীৰ নাম, গোপিনী সবাহ ইত্যাদি। আইনাম, অপেশ্বৰী সবাহ মহিলা সমাজত সীমিত। গোৱালপাৰা অঞ্চলত প্রচলিত সোনাৰায় পূজা, কাতিপূজা, বাঁশ পূজা, হুদুম পূজা ইত্যাদি।
- উৎসৱ অনুষ্ঠানৰ লগত জড়িত গীতসমূহৰ ভিতৰত বিহুগীত অন্যতম। বিভিন্ন কর্মমূলক গীত যেনে খৰিকটীয়া, নাৱৰীয়া, হালোৱা, সূতা কাটোতা, বোৱনী, শিপিনী, বাঢ়ে, কমাৰ, কুমাৰ ইত্যাদিৰ অৱসাদ দূৰকৰণৰ অর্থে শ্রমগীতসমূহো উল্লেখনীয়; প্রেম-প্রণয়ৰ গীতসমূহো ইয়াৰ লগত জড়িত। বিবিধ বিষয়ক গীতৰ ভিতৰত পৰে— তামোলচোৰৰ গীত, চাহ পুৱাণৰ গীত, বেলেগা পুৱাণৰ গীত, কপাহৰ জুনা, পচলাৰ জুনা, তাঁতীৰ জুনা আদি। অসমীয়া লোকসমাজত প্রবাদ প্রবচন আৰু ফকৰা যোজনাবোৰেও বিশেষভাৱে প্রভাৱ পেলাইছে। বৈষ্ণৱ ফকৰাবিলাকৰ বাদে সাধাৰণ ফকৰাবিলাকত স্থূলদেহৰ অসাৰতা, চিত্তমদন আদি নীতি লুকাই আছে। ডাকৰ বচনবোৰো যোজনাধর্মী। উল্লেখনীয় যে অসমত পৰম্পৰাগতভাৱে প্রচলিত ডাকৰ নামৰ লগত সম্পর্কযুক্ত বচন সদৃশ বচন অসমৰ বাহিৰে ভাৰতৰ আন আন প্রদেশতো প্রচলিত। অসমীয়া ভাষাত ডাকৰ বচনসমূহক কেইটামান ভাগত ভগোৱা হৈছে; যেনে— জন্ম প্রকৰণ, ধর্ম প্রকৰণ, ন্যায় প্রকৰণ, নীতি প্রকৰণ, ৰাজ্যন্যাদি প্রকৰণ, ৰন্ধন প্রকৰণ, গৃহিনী প্রকৰণ, পৰিত্যাগ কথন, বর্ষাদি বর্ণন, বৃষ লক্ষণ, হলবাহন ক্রম, কৃষি লক্ষণ, কুপুৰুষৰ লক্ষণ, নাৰীৰ লক্ষণ ইত্যাদি। ডাক প্রবচনসমূহ পুৰণি হৈও নতুন। অতীতৰ প্রতিধ্বনিৰ লগতে বর্তমানবো তেজস্বী কণ্ঠস্বৰ ডাক প্রবচন-সমূহে বহন কৰি আহিছে।



জানি থোৱা ভাল

অসমীয়া ডাক প্রবচন সন্নিৱিষ্ট পাঠত উল্লেখ থকা চন, তাৰিখ, ইয়াৰ বানান পদ্ধতি, ভাষাশৈলী আদি বিশ্লেষণ কৰি চাই ক'ব পাৰি যে ডাকৰ বচনসমূহে এশ ডেৰশ বছৰৰ ভিতৰতহে লিখিত ৰূপ লাভ কৰিছে। ডাক প্রবচনবোৰৰ কিছুমানে লিখিত ৰূপ পৰিগ্রহ কৰিলেও সেইবোৰ মৌখিক পৰম্পৰাৰ অঙ্গীভূত বাচিক কলা ৰূপে পৰিগণিত হোৱা স্বাভাৰিক।

অসমীয়া লোকসংস্কৃতিত মন্ত্রবোৰক প্রার্থনা মন্ত্র, ধর্মীয় কৃত্যৰ সৈতে জড়িত মন্ত্র আৰু যাদুবিদ্যাৰ সৈতে জড়িত মন্ত্রত ভাগ কৰা হৈছে।

অসমীয়া লিখিত সাহিত্যক— ক) মধ্যযুগ বা প্রাক নৱবৈষ্ণৱ যুগ, খ) নৱবৈষ্ণৱ যুগ আৰু গ) উত্তৰ নৱবৈষ্ণৱ যুগত ভাগ কৰা হৈছে। বিভিন্ন অনুবাদ সাহিত্যৰ ভিতৰত ৰামায়ণ, মহাভাৰতৰ অনুবাদ উল্লেখনীয়। ইয়াৰ উপৰি বিভিন্ন গ্রন্থ, নাট, কাব্য, গীত, পদৰে অসমীয়া লিখিত সাহিত্যৰ ভঁৰাল টনকিয়াল।

২.৪.২ ভৌতিক সংস্কৃতি

ভৌতিক সংস্কৃতিক সূচাবলৈ প্ৰাকৃতিক জীৱন অৰ্থাৎ Physical Life পৰিভাষাটো ব্যৱহাৰ কৰা হয়। সমাজত যুগে যুগে প্ৰচলিত পৰম্পৰা আৰু ৰক্ষণশীল ঐতিহ্যৰ পৰিসৰে সামৰি লোৱা মৌখিক বা লিখিত কলা কৌশল, পাৰদৰ্শিতা, পদ্ধতি আদিৰ বহিঃ প্ৰকাশেই ভৌতিক সংস্কৃতি। অসমীয়া লোকসংস্কৃতিৰ শিল্প বা কাৰুকলা, চাৰুকলা, স্থাপত্যকলা আৰু ৰন্ধন প্ৰণালী আদিয়েই ভৌতিক সংস্কৃতি।

অসমীয়া ভৌতিক সংস্কৃতিৰ হস্ত বা কাৰুকলা সাধাৰণতে মাটি, শিল, বাঁহ, কাঠ, বেত, সৌখা, পাতিদৈয়া, জন্তুৰ সিং, জন্তুৰ হাড়, ধাতু, জৰীগছ, পাত, বাকলি, চামৰা, কঁপাহ, তৃণ, ফল আদিৰ পৰা লোকশিল্প নিৰ্মাণ কৰা হয়। মাটিৰ পৰা বাদ্যযন্ত্ৰৰ খোল বা গাড়ীও প্ৰস্তুত কৰে, যেনে— নাগাৰা, ডামা, ডগৰ ইত্যাদি; বাঁহৰ পৰা তৈয়াৰি কৰা ঢাৰী, জপা, মূঢ়া, খৰাহি, পাচি, মাছমৰা সঁজুলি, মুখা, বিভিন্ন বিধৰ চুঙা, লাঠি, টাঙোন, বাঁহী, টকা ইত্যাদি; কাঠৰ পৰা পীৰা, শৰাই, বাকচ, পুতলা, মুখা, পেৰা-পেটাৰি, বাদ্যযন্ত্ৰ ইত্যাদি; বেতৰ বিচনী, জপা, খোমা, বেতেৰি; কাঁহ পিতলৰ পৰা বিভিন্ন বাচন-বৰ্তন, অলঙ্কাৰ; কুঁহিলাৰ পৰা বিবিধ পুতলা, পট; জন্তুৰ শিঙৰ পৰা হাতীদাঁত, হাড় আদিৰ পৰা অয়-অলঙ্কাৰ তৈয়াৰ কৰা হয়। গছৰ বাকলিত পুথি লিখা আৰু কঁপাহৰ পৰা বিধে বিধে কাপোৰ কানি তৈয়াৰ কৰা অসমীয়া সমাজৰ ভৌতিক সংস্কৃতি।

- **চাৰুকলা ঃ** অসমীয়া লোককলাৰ স্থিতি প্ৰায় একেটা শিল্পবস্তুত লক্ষ্য কৰা যায়— মেখেলা আৰু মেখেলাত তোলা ফুল, বাঁহৰ বিচনীত কৰা বিভিন্ন নক্সা, বহুৰঙী চিত্ৰ, অয়-অলঙ্কাৰ, লোকবাদ্যত কৰা চিত্ৰ, বাদ্যযন্ত্ৰৰ দেহত কটা বিবিধ ৰঙৰ সমাহাৰ আৰু ৰঙেৰে কৰা বিভিন্ন চিত্ৰ আদি অসমীয়া লোক কলাৰ নিদৰ্শন। অসমীয়া পুথিচিত্ৰবোৰত লোককলাৰ নিদৰ্শন পোৱা যায়। মাধৰ কন্দলিৰ *লঙ্কাকাণ্ড ৰামায়ণৰ* পুথিচিত্ৰ লোককলাৰ অপূৰ্ব নিদৰ্শন। বিভিন্ন জনজাতীয় চিত্ৰশৈলী, অসমৰ গাঁৱে-ভূঞে প্ৰচলিত মূৰ্তি নিৰ্মাণশৈলী, কুমাৰ, হীৰাৰ বিভিন্ন মাটিৰ বাচন— ভেতুৰা, কলহ, টেকেলি, ফুলজাৰী, পিঠাপনা কৰা বাচন, খোলাচৰু, ধূপদানী, ছিলিম, পইচা সঁচা পাত্ৰ, মালা-মাদলী, কুঁৰাৰ পাট বা ৰিং, গিলাচ, চৰু, হাৰী আদিত বিভিন্ন ৰঙেৰে কৰা ৰং, চিত্ৰ আদিত অসমীয়া চাৰুকলাৰ নিদৰ্শন পোৱা যায়। মঠ-মন্দিৰ, সত্ৰ আদিৰ হীৰাৰ বাচন, বিয়া-বাৰু, সকামৰ চৰু, টেকেলি, মূৰ্তি, ঘট, নৈবেদ্য দিয়া শৰাই, কাঁহী, থাল, মুখা, জীৱ-জন্তু, চৰাই-চিৰিকটি, নাগ, পুতলা, গায়ন-বায়নাৰ পুতলা আদিতো চাৰুকলা বিদ্যমান।
- **টেৰাকোটা ঃ** অসমত বোকা মাটিৰে নিৰ্মিত আৰু অগ্নিদাহিত মূৰ্তি বা প্ৰতিমূৰ্তি-বোৰেই টেৰাকোটা শিল্প। দ পৰ্বতীয়াত আবিষ্কৃত, মায়ঙৰ গণেশ পাহাৰত টেৰাকোটা মানৱমূৰ্তি পোৱা গৈছে। গুৱাহাটীৰ আমবাৰী খননৰ জৰিয়তে কেবাটিও টেৰাকোটা

মূর্তি পোৱা গৈছে। ইয়াৰ পৰা অনুমান কৰিব পৰা যায় যে অতি পুৰণিকালৰে পৰা অসম টেৰাকোটা বিদ্যাত প্রসিদ্ধ আছিল। টেৰাকোটা জাতীয় মূর্তি অথবা অন্যান্য শিল্পবস্তুসমূহৰ স্রষ্টা হৈছে হীৰা আৰু কুমাৰসকল। এই শিল্পৰ পুতলাসমূহৰ ভিতৰত ঘোঁৰা-হাতীৰ পুতলাই সৰহ। অসমত দোলা, চৰা বৰতৰ সৈতে জড়িত পুতলা, নাৰী, ঘোঁৰা, হাতী, বিভিন্ন ধৰণৰ চৰাই, ঢোলবাদক, ভূকি থকা কুকুৰ, বহি থকা মাতৃৰ কোলাত শিশু, চাকি, ধুপদানি, বিভিন্ন মূর্তি নির্মাণ কৰা ঐতিহ্য অসমৰ বিভিন্ন অঞ্চলত প্রচলিত।

- **বাঁহ শিল্প ঃ** অসমীয়া লোকসংস্কৃতিত বাঁহেৰে নির্মিত বিভিন্ন সঁজুলি পোৱা যায়। সেইবোৰএনে ধৰণৰ— খুঁটা, মাৰলি বা মালি, চ'তি বা চেউতি, দমৰা, ৰুৰা, কামি, খোৰা, গৰিয়া, কুকুৰ খুঁটি, মেকুৰি খুঁটি, দুৱাৰ, খিৰিকি, বেৰৰ চোঁচ, তমাল, দেওনা, চকোৱা, চাং, চিলিঙা আদি বাঁহেৰে নির্মিত।অসমীয়া সমাজত নিমখ, হালধী, মছলা, এৰাগাখীৰ, দৈ, জলকীয়া, তেজপাত, খাৰ, পিঠাগুৰি, খৰিচা, খাৰলি, কালজিৰা, ভোগজিৰা, মিথি, চতিৰতি বাখৰ, লাওপানী, চূন, চাউলৰ খুদ, টকা-পইচা, চিঠি-পত্র, কুষ্ঠি আখৰা, দলিল ৰচিদ, তামোল-পাণ আদি থবলৈ বাঁহৰ চুঙা ব্যৱহাৰ কৰিছিল। ইয়াৰ উপৰি খেতিৰ সঁজুলি— দা, কটাৰী, চিপৰাং, তৰোৱাল আদিত বাঁহৰ নাল লগায়। বিভিন্ন ধৰণৰ মুখা, বটা, শৰাই, চাং, কাকৈ, খাৰু, মণি, টুপী, জপা, চাকিৰ গছা, লিখাৰ সঁজুলি, জোৰা ইত্যাদি বাঁহৰ পৰা সজোৱা। বেতশিল্প— বাছকেট, বিচনি, বেতেৰি বা খোমা, ঢাৰী, পাটী, লাঠি, টাঙোন, বহা সঁজুলি ইত্যাদি।
- **কাঠ শিল্প ঃ** অসমীয়া লোকজীৱনত বহুতো প্রয়োজনীয় সামগ্রী কাঠেৰে নির্মাণ কৰা হয়। ঘৰ-দুৱাৰ, খাট-পালেং, পীৰা, তামুলী পীৰা, দৰা বহা পীৰা, সিংহাসন, উড়াল, উড়াল মাৰি, ঢেকী, ঢেকীৰ থোৰা, বৰপেৰা, হাতনী পেৰা, সৰু পেৰা আদি কাঠেৰে নির্মিত হৈছিল। শৰাই, ঠগী, পুথি পঢ়া ঠগা আদি কাঠেৰে প্রস্তুত কৰা হৈছিল। কাঠৰ চৰিয়া, হেতা, কৰচ, লৰনী মাৰি, গুৰিধান চপোৱা ৰয়না, পাদুকা, খৰম, যঁতৰ, নেঠা, উঘাৰ চকৰি, ঢোল, খোল, খ্রাম, ডামা, চাঙৰ খুটা, বিভিন্ন মূর্তি, মুখা, নাও, সৰুনাও, বঠা, ডাৰ, বাকচ কাঠেৰে নির্মাণ কৰা হয়। ইয়াৰ উপৰিও টকৌ পাতেৰে জাপি, নাৰৰ চৈ, গৰু গাড়ী মহগাড়ীৰ ওপৰত দিয়া চৈ আদি নির্মাণ কৰা হয়। নাৰিকলৰ পাত, নাহৰৰ পাতেৰেও বিভিন্ন বস্তু নির্মাণ কৰা হয়।
- অসমীয়া খনিকৰসকলে ৰজা-ৰাণীৰ বাবে বিভিন্ন অয়-অলঙ্কাৰ নির্মাণ কৰিছিল। হাতী দাঁতৰ পৰা অলঙ্কাৰাদি নির্মাণ কৰিছিল। বিভিন্ন দেৱ-দেৱীৰ মূর্তি, সিংহাসন, ৰথ, ফণী, হাতী দাঁতৰ পৰা তৈয়াৰ কৰিছিল। হাতীৰ হাড়ৰ পৰাও শিল্পবস্তু নির্মাণ কৰা হৈছিল। পহু গাহৰিৰ দাঁত, গঁড়ৰ খৰ্গ, হৰিণৰ শিং, মহৰ সিং আদিৰ পৰাও বিভিন্ন বস্তু তৈয়াৰ কৰিছিল। জন্তুৰ ছালৰ পৰাও বিভিন্ন বস্তু নির্মাণ কৰিছিল। ধান খেৰ, মৰাপাট, নাৰিকলৰ বাকলিৰে অসমীয়া শিল্পীয়ে বিভিন্ন বস্তু সাজে। লোহা,

পিতল, তাম, কাঁহ, সোণ আদিৰেও বিভিন্ন প্ৰকাৰৰ বস্তু নিৰ্মাণ কৰে। লোহাৰে অসমীয়া শিল্পীসকলে তৰোৱাল, যাঠি, জোং, বন্দুক, কামান, বাৰুদ, ঢাল আদি সাজে। পিতলৰ পৰা কলহ, চৰিয়া, টৌ, হেতা, কৰচ, খৰাহি, শৰাই, জাপি, ঘট, গিলাচ, ধূনাদানি নিৰ্মাণ কৰে। তামেৰে বিভিন্ন মূৰ্তি আৰু কাঁহ ধাতুৰ পৰা কাঁহী, বাটি, লোটা, চৰিয়া, ঘটি, সৰুতাল, ভোৰতাল, বটা, শৰাই, ঠগা, বানবাটি, হাতীখুজিয়া বাটি, কলহ, ভোগজৰা, গুৰগুৰী, হোকা, পিকদানী, ডগডগী, লোটা, ঝাৰি, মাইহাং কাঁহী, মাইহাং বাটি, বৰটোপ ইত্যাদি পোৱা যায়। সোণেৰে গঢ়া অসমীয়া অলঙ্কাৰসমূহ হ'ল— কেৰু, লোকাপাৰ, উন্টি, দানা, মালামণি, তৰ্জনী আঙুঠি, কটিসূত্ৰ, গামখাৰু, ফুটি, মহিলাৰ বাবে— কেৰু, ফুটি, গলপতা, জোনবিৰি, মাদুলি, খাৰু, বালা, শাখা, কঙ্কন ইত্যাদি।

- বয়নশিল্পত অসমীয়া শিল্পী আগবঢ়া। পাট, মুগা, এৰি আদিৰে অসমীয়া শিল্পীয়ে বিভিন্ন সাজ বয়। ৰিহা, মেখেলা, চাদৰ, চেলেং, গামোচা আদিত বিভিন্ন ৰং-সূতাৰ সংমিশ্ৰণত ফুল আৰু নক্সা আঁকে। জনজাতীয় মহিলাসকল এই ক্ষেত্ৰত পাকৈত। কুহিলাৰে অসমীয়া শিল্পীয়ে বিভিন্ন শিল্পবস্তু তৈয়াৰ কৰে।
- **বাদ্যযন্ত্ৰ ঃ** অসমৰ পৰম্পৰাগত বাদ্যযন্ত্ৰৰ ভাগ কেইটা হ'ল— আৱনদ্ধ, ঘনবাদ্য, সুষিৰ আৰু তত বাদ্যযন্ত্ৰ। বৰঢোল, ঢেপাঢোল বা চুঙাঢোল, ৰজাঢোল, জয়ঢোল, দেওঢোল, মাদল, খাম, খ্ৰাম, ছেং, দুমদুম ইত্যাদি অসমৰ পৰম্পৰাগত বাদ্যযন্ত্ৰ। মিচিংসকলৰ ঢোলৰ নাম দুমদুম; কাৰবিসকলৰ ছেংৰুপ; ডিমাছা, জেমীনগা, কুকি, মাৰ, ৰাংখল, বেইট আদিৰ ক্ৰমে খ্ৰাম, ইনচুম, খুবং, খ্ৰবং আদি নামেৰে পৰিচিত। অসমৰ খোল, মৃদঙ্গ, নাগাৰা, ঢাক, ডবা, পাখোৱাজ, ডম্বৰু, ঢোলক, ডগৰ আদি হ'ল আৱনদ্ধ বাদ্যযন্ত্ৰ। খণ্টা, ভাওবাদ্য, তাল, কৰতাল, খুতিতাল, মঞ্জিৰা, টোকা, গগণা, নেপুৰ, কাঁহ, বৰকাঁহ আদি ঘনবাদ্য। বাঁহী, বাংশী, কালি, মহৰী, পেঁপা, শঙ্খ, ভেৰী, সুতুলী আদি সুষিৰ বাদ্যযন্ত্ৰ আৰু বীণ, বীণা, চেৰেন্দা; টোকাৰী, লাউটোকাৰী, একতাৰা, দোতোৰা, গোপীযন্ত্ৰ আদি ততবাদ্য। এই আটাই প্ৰকাৰৰ বাদ্যযন্ত্ৰ বিভিন্ন জনজাতিৰ মাজত বিদ্যমান।
- **লিখন কলা ঃ** আধুনিক অসমীয়া লিখন কলা বিভিন্ন পুথিপাজিত পোৱা যায়। প্ৰাচীনকালত লিখন মাধ্যম আছিল— ভূৰ্জপত্ৰ, সাঁচিপাত, তুলাপাত, কাঠৰ ফলক, জন্তুৰ ছাল, ধাতৰ পদাৰ্থ, বাঁহৰ মিহি চোঁচ বা কামী। চিত্ৰকলাও বিভিন্ন মঠ-মন্দিৰত পোৱা যায়। ইয়াৰ উপৰি অসমীয়া চিত্ৰকলাৰ অন্যতম নিদৰ্শন হ'ল বৃন্দাবনী বস্ত্ৰ। পুথিচিত্ৰসমূহ হ'ল— দৰঙী পুথিচিত্ৰ, সত্ৰীয়া পুথিচিত্ৰ, গড়গঞা পুথিচিত্ৰ। অসমৰ লোকায়ত সমাজত বিশেষকৈ নামনি অসমৰ মানুহৰ কেইবাটিও সৰু সৰু ঘৰ থাকে। এই বিশেষত্বটি ডাকৰ বচনত পোৱা যায়।

সৰু সৰুকৈ বান্ধিবা ঘৰ
এটা নালাগে দহটা কৰ।

ৰুৱা, কামি,মাৰলি আদিৰহিচাপ আনকি ঘৰ কোন মুৰাকৈ সাজিব লাগে তাৰো সঙ্কেত ডাকৰ বচনত পোৱা যায়।

পুৱা পশ্চিমাকৈ সাজিবা ঘৰ।
অকাল মৃত্যুৰ নাহিকে ডৰ।।



জানি থোৱা ভাল

লোক মনে সদা সর্বদাই পৰম্পৰাগত স্থাপত্যকলা বা গৃহনির্মাণ-শৈলীত গুৰুত্ব প্রদান কৰি আহিছে। গৃহনির্মাণ, ঘৰ লোৱা আদিৰ সৈতে বিবিধ ধর্মীয় কৃত্য জড়িত। ব্যক্তি চেতনাতকৈ সামাজিক চেতনাৰ প্রাধান্য, গৃহনির্মাণ আদিত গাঁৱৰ সৱহ সংখ্যক লোকেই সুদক্ষ।

- **ৰন্ধন প্রণালী ঃ** অসমীয়া লোকজীৱনত ৰন্ধন প্রণালী খাদ্যপ্রণালীৰ পৰিসৰ ব্যাপক। খাদ্য সম্পর্কে কেতবোৰ বচন বিবিধ নিষিদ্ধ আচৰণৰ লগত সম্পর্কযুক্ত। কোন দিনা কোন মাহত কি খাদ্য খাব লাগে তাৰ নির্দেশ আমাৰ পৰম্পৰাই দি গৈছে—

বুধ গুৰু বৃহস্পতিয়ে লোণ
মঙ্গলবাৰে খাবা কৰাই।
শুক্রে চাউল চোবাই
শনিয়ে পোৱা মাছ খাই।

বিভিন্ন ধৰণৰ খোৱা খাদ্যই কি উপকাৰ সাধে সেই কথা লোকজীৱনত প্রচলিত। বিয়া-বাৰু উৎসৱ অনুষ্ঠান আদিত খাদ্যবোৰ এনে ধৰণৰ— চিৰা সান্দহ, গুৰি সান্দহ, দোভাজা, সান্দহ, কৰাইগুৰি, কেঁচা চিৰা, মুৰি,আখৈ, মখাচিৰা, হুৰুম, কোমল চাউল, বোকা চাউল,পিঠাগুৰি,ভজা বৰা চাউল, জলপান,তিল পিঠা,নাৰিকল পিঠা, খোলা চাপৰি, শুকান পিঠা, হেচা পিঠা, জোন পিঠা, হেপেনীয়া পিঠা, তেল পিঠা, ফেণী পিঠা, টেকেলি পিঠা, সুতলি পিঠা, দৈ, গাখীৰ, পায়স, মিঠৈ, আৰৈ চাউল, উখুৰা চাউল, দাইল, কচু, আলু, মাহ, হালধী,বিবিধ শাক-পাচলি, বিবিধ মাছ, কণী, বিবিধ মাংস, বিবিধ টেঙা, তিতা, খাৰ আদি খাদ্য অসমীয়া লোকসমাজত প্রচলিত।

২.৪.৩ সামাজিক লোকাচাৰ

অসমীয়া লোকসংস্কৃতিত সামাজিক লোকাচাৰসমূহে লোকজীৱনক অনানুষ্ঠানিকভাৱে শিক্ষা প্রদান কৰি আহিছে। অসমীয়া লোকজীৱনত লোকবিশ্বাসসমূহে বিশেষ স্থান দখল কৰি আহিছে। লোকবিশ্বাসৰ সঙ্কেতমূলক বিশ্বাসসমূহ আমাৰ সমাজত

পৰম্পৰাগতভাৱে চলি অহা, যেনে— চন্দ্ৰৰ বলয়ে বৰষুণৰ ভবিষ্যদ্বাণী কৰে, ভূমিকম্প হ'লে অনতিপলমে বৰষুণ হয়, দিনত গাঁতৰ পৰা কেঁচু ওলালে বৰষুণ হোৱা আদিয়েই প্ৰধান। যাদুমূলক লোকবিশ্বাসত পোৱা যায়— সোমবাৰ শনিবাৰে পূবফালে যাত্ৰা কৰা নিষেধ, বৃহস্পতিবাৰে কাম আৰম্ভ কৰিলে অশুভ পৰিণতি হয়, কাউৰীয়ে মূৰৰ চুলি চিঙি নিলে সেই যাত্ৰা পৰিত্যাগ কৰিব লাগে বুলি সকলোৱে জানে। ইয়াৰ বাহিৰেও খোৱা খাদ্য, বিদ্যা, যাত্ৰা, বিবাহ, চুলি কটা ইত্যাদিত এনে বিশ্বাস জড়িত। পৰিবৰ্তিত লোকবিশ্বাসত মেকুৰী বধ কৰিলে দুৰ্ভাগ্য উপজে আৰু ইয়াৰ নিৰাময়ৰ বাবে সোণৰ মেকুৰী দান কৰিব লাগে। ৰাতি সাপ, বাঘৰ নাম লোৱা নিষেধ ইত্যাদি ধৰণৰ লোকবিশ্বাস অসমীয়া সমাজত প্ৰচলিত।

ধৰ্মীয় লোকবিশ্বাসত ভেকুলী বিয়া, হুদুমদেও পূজা, ইন্দ্ৰ-সূৰ্য পূজা, গোবৰ্ধন পূজা, বাঁশ পূজা, কমলা কুৱৰীৰ গীত, বড়োসকলৰ ফুছলি (পুতলা) বিয়া প্ৰচলিত। দেৱ-দেৱীৰ ধাৰণাত লোকবিশ্বাসৰ ভূমিকা অত্যন্ত গভীৰ। মনসা, শীতলা দেৱী, চণ্ডী দেৱী, বাসন্তী দেৱী, সৰস্বতী, লক্ষ্মী, বিপদনাশিনী, শুবচনী আদি বহুতো দেৱ-দেৱীৰ বাহিৰেও যক্ষ-যক্ষিনী, মূৰাকন বীৰ, ভূত-প্ৰেতৰ পূজা লোকবিশ্বাসত জড়িত। ইয়াৰ উপৰি গছ-গছনি, পথাৰ, শষ্য, বতৰ আদিৰ লগতো লোকসমাজ পূজা-পাতলত বিশ্বাসী। লোকসমাজে বেমাৰ-আজাৰ, অপায়-অমঙ্গল আদিৰ পৰা হাত সাৰিবলৈ, নিজৰ, ৰাইজৰ খেতিবাতি, দেশৰ মঙ্গলৰ কাৰণে এই বিশ্বাসবোৰ মানি চলে।

- **শৈৱ ধৰ্ম ঃ** অতি প্ৰাচীন কালৰে পৰা অসমৰ জনজীৱনে শিৱ দেৱতাৰ পূজা আৰাধনা কৰি আহিছে। প্ৰাচীন অসমত শিৱ উপাসনাৰ প্ৰাধান্য কিদৰে ৰক্ষিত হৈ আহিছে তাৰ আভাস শাসনাৱলীৰ ওপৰত নিৰ্ভৰশীল। কিৰাতৰ শেষ অধিপতি ঘটক শোণিতপুৰৰ বান শিৱভক্ত আছিল। অসমৰ জনজাতীয়, অজনজাতীয় প্ৰায় সকলো লোকে শিৱ আৰাধনা কৰিছিল।

  কৈৰাতজ ধৰ্ম, গাণপত্য সম্প্ৰদায়, বৌদ্ধ সম্প্ৰদায়, পঞ্চদেৱতা পূজা, শক্তিবাদ, সৌৰ সম্প্ৰদায়, তান্ত্ৰিক, বৈষ্ণৱ, নাথধৰ্ম, নৱবৈষ্ণৱ ধৰ্ম অসমীয়া জনজীৱনত চলমান।
- অসমীয়া লোকসংস্কৃতিত উৎসৱ অনুষ্ঠানসমূহ ঋতুকালীন বা কৃষিমূলক, পঞ্জিকা আশ্ৰয়ী আৰু সীমিত অংশগ্ৰহণ কৰা উৎসৱ —এই তিনি ধৰণে ভাগ কৰা হৈছে। অসমীয়া ঋতুকালীন উৎসৱত বিহু তিনিটা— ৰঙালী, ভোগালী আৰু কঙালী। এই তিনিওটাকে অসমীয়া মানুহে বিশেষভাৱে পালন কৰে। অসমৰ জনজাতীয় লোকসকলে আনন্দ কৰাৰ লগতে পৰম্পৰাগতভাৱে নিয়মো পালন কৰে। ঋতুকালীন উৎসৱৰ আন এটা বিশেষ উৎসৱ হ'ল ফাকুৱা। অতি প্ৰাচীন কালৰ পৰাই অসমত এই উৎসৱ পালন কৰা হয়। বাসন্তী পূজা, অশোকাষ্টমী আদি উৎসৱো ঋতুকালীন উৎসৱ। ইয়াৰ উপৰি গোপূজা, অগ্নিপূজা, নামপ্ৰসঙ্গ, মেলা-সভা, যাগ-যজ্ঞ, বৰত উৎসৱ, সোনাৰায় পূজা, হাতীযুঁজ, ম'হযুজ, শেন-কনুৱা যুজ, শষ্য সিঁচা, ৰোৱা,

কটা ইত্যাদিও ঋতুকালীন উৎসৱ। অসমীয়া জনজীৱনত কৃষিৰ লগত জড়িত অনেক আচাৰ অনুষ্ঠান পৰম্পৰাগতভাৱে প্রচলিত।

- পঞ্জিকা আশ্রয়ী উৎসৱ অনুষ্ঠানসমূহ— পক্ষ, তিথি, বাৰ, নক্ষত্র অনুযায়ী অনুষ্ঠিত হয়। এনে অনুষ্ঠানে বৰত, পূজা-উপাসনাৰ ভূমিকা পালন কৰিব পাৰে। অতি পু�ৰণিকালৰে পৰা অসমৰ শৈৱ মঠ-মন্দিৰত ফাগুন মাহৰ কৃষ্ণ চতুর্দশী ৰাত্রি শিৱ-পূজা অনুষ্ঠিত হয়। কামাখ্যা মন্দিৰতো পূজা কৰা হয়। বৈষ্ণৱ উপাসনাৰ ভিতৰত অসমত জন্মাষ্টমী আৰু নন্দোৎসৱ উৎসৱ পালন কৰে। ৰাসযাত্রাও অসমত আঘোণ মাহৰ পূর্ণিমা তিথিত পালন কৰে। সর্বভাৰতীয় প্রথাৰ দৰে অসমতো গোপন সাধনাৰ প্রচলন আছে।
- **বৰত আৰু পূজা ঃ** ব্রত সংযুক্তিৰ অন্যতম একক হৈছে পূজা উপাসনা। ধর্মীয় কৃত্য, শোভাযাত্রা, প্রতিমা ৰূপ বা স্থাপন, মন্ত্র উচ্চাৰণ, প্রণাম, নির্মালি গ্রহণ, শ্রৱণ-কীর্তন, আবৃত্তি, প্রসাদ গ্রহণ, অভিনয়, পোছাক-পৰিচ্ছদ আদিয়েই সংযুতিক একক। অসমীয়া লোকসংস্কৃতিত ব্রতক তিনি ভাগত ভাগ কৰা হৈছে— নিত্য ব্রত, নৈমিত্তিক ব্রত আৰু কাম্য ব্রত। তিথি, বাৰঅনুযায়ীও বাৰ ব্রত, মাহ ব্রত, সংক্রান্তি ব্রত অসমীয়া মানুহে পালন কৰে। দেৱ-দেৱীৰ পূজা পৰম্পৰাতো বিভিন্ন ব্রত জড়িত হৈ থাকে।
- অসমীয়া লোকজীৱনত সংস্কাৰমূলক বা জীৱনবৃত্তৰ কার্যসমূহ মানুহৰ বিভিন্ন পৰিৱর্তনৰ লগত জড়িত। অসমীয়া লোকজীৱনত সংস্কাৰমূলক কার্যসমূহ হ'ল— জাতকর্ম, গর্ভাধান, পুংসবন, সীমান্তোন্নয়ন, জাতকর্ম, নিষ্ক্রামন, অন্নপ্রাসন, কর্ণবেধ, চূড়াকৰণ, বিদ্যাৰম্ভ, উপনয়ন, বিদ্যাৰম্ভ, কেশান্ত, সমাবর্তন আৰু বিবাহ। গর্ভৱতী নাৰীক পঞ্চমাহত আনুষ্ঠানিকভাৱে পঞ্চামৃত খুওৱা নিয়ম অসমৰ জনজাতি অজনজাতি সকলোৰে মাজত বিদ্যমান। গর্ভধাৰণত পঞ্চামৃত খুওৱা, জেউৰা খুওৱা, পোহন বিয়া —অসমীয়া জনজীৱনৰ উল্লেখযোগ্য কার্য। লোকসমাজত জাতকর্ম তিনিটা কৃত্যৰ সমষ্টি— ঘৰশুদ্ধি, নামকৰণ আৰু নিষ্ক্রমন।
- অসমীয়া লোকসমাজত সন্তান জন্ম হোৱাৰ পিছত নাভিছেদন, প্রক্ষালন, মুখত মধু দিয়া ইত্যাদি কার্য কৰে। সূতিকা গৃহদ্বাৰত হোম অনুষ্ঠিত কৰি দুবৰি, বগা সৰিয়হ, চাউলৰ খুদ আৰু দুকুৰি চাৰিডাল খৰিকাৰে হোম প্রদান কৰে ৰোগ ব্যাধি নির্মূলৰ বাবে। জাতকর্মৰ দিনা নামকৰণ কৰে। নিষ্ক্রমনত সন্তানক বাহিৰ কৰি সূর্য দর্শন কৰে যাতে সূর্য দেৱতাই নৱজাতকক শক্তিশালী কৰি তোলে। সন্তানক ৬-৭ মাহত অন্নপ্রাসন কৰা নিয়ম। এই কার্যত অসমীয়া সমাজত নৱজাতকৰ মোমায়েকৰ হতুৱাই অন্ন মুখত দিয়া হয়। নৱজাতকৰ প্রথম চুলি কটা অনুষ্ঠানটোৱেই চূড়াকৰণ। তাৰ পিছত ব্রাহ্মণসকলে ল'ৰা সন্তানৰ উপনয়ন অনুষ্ঠান কৰে। ছোৱালীৰ কন্যাকাল উপস্থিত হ'লে চাৰিদিন নিয়ম পালন কৰি গা ধুৱায় আৰু গণনা অনুসৰি ব্রত পালন কৰায়।

- অসমীয়া সমাজত বিবাহ এক গুৰুত্বপূৰ্ণ সামাজিক অনুষ্ঠান। জোৰণ দিয়া বা তেলৰ ভাৰ, সুৱাগুৰি তোলা, পানী তোলা, দৰা আদৰা, কইনা বিদায় দিয়া আদিত বিভিন্ন নিয়ম পালন কৰে আৰু গীত গায়। অসমীয়া মুছলমান সমাজতো কইনা চোৱা, সান্দহ খুন্দা, জা-জলপান যোগাৰ কৰি নিকাহ কৰা নিয়ম।
- মৃতকৰ শ্ৰাদ্ধাদিতো অসমীয়া সমাজত দাহ কৰা নিয়ম। তিতা চোবোৱা, জুইত গা সেক দিয়া, দহা কাৰ্য, শ্ৰাদ্ধ, ভোজ আদিৰ মাজেৰে সকলো জাতি জনজাতিয়ে কম বেছি পৰিমাণে নিয়ম মানি শুদ্ধিকৰণ হয়। ইয়াৰ পিছত ছমহীয়া বছৰেকীয়া পিণ্ডদান দিয়ে।
- অসমীয়া লোকজীৱনত খেল-ধেমালিৰ এক বিশেষ স্থান আছে। অসমীয়া সমাজৰ খেল-ধেমালিবোৰ এনে ধৰণৰ— ভটা গুলি খেল, কলগছত উঠা খেল, কলহ ভঙা খেল, ৰেডি খেল, টাঙোন ঘুৰুৱা খেল, তেলসনা বাঁহত বগোৱা খেল, ডিমা বা কণী ভঙা খেল, বেজীত সূতা ভৰোৱা খেল, ঘিলা খেল, কপাল টুকুৰিয়া খেল, হাঁহি তোলা খেল, ৰজাৰ বাঁহ খেল, গুটি লুকুৱা খেল, দোলা খেলা, বৌ গুড়ু, ধৰা গুড়ু, ডিমৰু খেল, বিৰিং গুটি খেল, চিলনী খেল, দাইৰা বান্ধা খেল, মেকুৰী নিগনি খেল, লুকাভাকু খেল ইত্যাদিবোৰৰ উপৰিও শেন যুঁজ, কুকুৰা যুঁজ, ম'হ যুঁজ, হাতী যুঁজ, বলধ গৰুৰ যুঁজ, বুলবুলি যুঁজ, কণী যুঁজ, ভালুক যুঁজ, কনুৱা যুঁজ, নাওখেল, বাঘ-ভালুক খেল, ধনুকাড়, বাটলুগুটি মৰা, কইতা গুটি (পাচগুটি) খেল ইত্যাদি খেল প্ৰচলিত।
- **পৰম্পৰাগত লোকচিকিৎসা ঃ** অসমীয়া লোকজীৱনত প্ৰাকৃতিক লোকচিকিৎসা আৰু যাদুবিদ্যাগত ধৰ্মীয় লোকচিকিৎসা দুই ধৰণৰ প্ৰভাৱ দেখা যায়। প্ৰাকৃতিকভাৱে আদা, হালধী, নিম, সিজু, মধুৰী আম, দুপৰ টেঙা, কলখাৰ, নৰসিং, ভেদাই লতা, তিতা কেৰেলা, বেতগাজ, কচু, পান, নহৰু, মছন্দৰী, অমিতা, তুলসী, মাটি দাইল, নেফাফু, তিয়হ ইত্যাদিৰে খৰ-খজুৰতি, পেটৰ বেমাৰ আৰু প্ৰসূতিসকলৰ ৰক্তহীনতা দুৰ কৰে। যাদুমূলক চিকিৎসাসমূহত বিভিন্ন দেৱ-দেৰী, ভূত-প্ৰেত আদিক বিশ্বাস কৰি পূজা দিয়ে। সূর্য, বতাহ আদিকো বাদ দিয়া নহয়। নদী, সাপ, মাছ আদিও এইবোৰ চিকিৎসাৰ ভিতৰত পৰে। ল'ৰা ছোৱালীৰ পেটৰ বিষ, নানা ৰোগ ব্যাধি, বসন্ত ৰোগ আদিৰ বাবে কুবেৰ, যখিনী, শীতলা আদি দেৱীক পূজা কৰে। এইবোৰত দুই ধৰণৰ মন্ত্ৰপ্ৰয়োগ কৰে— এবিধ পূজাৰ মন্ত্ৰ, আনবিধ জৰা ফুকা, তাবিচ, কবচ, আদিত মন্ত্ৰপূত কৰি দিয়ে।

২.৪.৪ অসমৰ লোক-পৰিৱেশ্য কলা

লোক-পৰিৱেশ্য কলা মাৰ্জিত আৰু জনজাতীয় —এই দুই ধৰণেৰে লোক-সমাজত প্ৰচলিত। লোক কবিতা এটা এনেয়ে গোৱা হয়, কিন্তু সুৰ-তাল-বাদ্য লগ লগাই পৰিৱেশন কৰা হয়। অসমীয়া ভাষাত প্ৰচলিত বিহুগীত, বিহুনাম, ভঠেলি, পাউৰা, হুঁচৰি,

বৈসাগু, ছাথাৰ গীত, ছগ্রাামিছাৱা আদি লোকগীত। এই গীতপদসমূহৰ লগত নৃত্য জড়িত। মনসা পূজাত ওজাপালি নামৰ এক অর্দ্ধ-নাটকীয় পৰিৱেশ্য অনুষ্ঠান মনসা বা বিষহৰীৰ মহিমা প্রকাশক গীত। অজনজাতীয় অসমীয়া সমাজত জন্ম, নামকৰণ, অন্নপ্রাসন, চূড়াকৰণ, তোলনী, উপনয়ন, আগবিয়া, পাছবিয়া, পোহন বিয়া আদিত গীত পৰিৱেশন কৰে। পাঁচালী বা পাঁচালী সঙ্গীতৰ বিবিধ ভাগসমূহতো গীত-নৃত্য পৰিৱেশন কৰে।

অসমীয়া লোকসংস্কৃতিত ওজাপালি এক বিশেষ লোক-পৰিৱেশ্য কলা। কথক আকৌ এজন বা দুজন বা কেইবাজনো গায়কৰ সমষ্টিত মূল মহাকাব্য বা পুৰাণৰ কাহিনী, গীত, নৃত্য আৰু বাদ্যযন্ত্রৰ সহায়ত দর্শক শ্রোতাৰ আগত আবৃত্তি কৰে, অর্থাৎ কথকে বর্ণনাকাৰী, আলোচনাকাৰী, ব্যাখ্যাকাৰীৰ ভূমিকা পালন কৰে।অসমীয়া ওজাপালি গীতক ব্যাস সঙ্গীত বা ওজাপালি, ৰামায়ণ গোৱা ওজাপালি, ভাউৰীয়া ওজাপালি, দুর্গাবৰী ওজাপালি, সত্রীয়া ওজাপালি, পাঞ্চালী ওজাপালি আৰু দুলড়ী ওজাপালিত ভাগ কৰিছে আৰু মহাকাব্য অনুসৰি ওজাপালিৰ আকৌ কেইটামান উপশ্রেণী পোৱা যায়— ৰংগোৱা ওজাপালি, বিষহৰী গীত, মাৰে পূজাৰ গান, পদ্মা পুৰাণৰ গান, তুকুৰীয়া ওজাপালি, গীতালু গীত আৰু ৰাখোৱাল গীত।

- **পুতলাভিনয় ঃ** অসমীয়া লোক-পৰিৱেশ্য কলাৰ এক বিশেষ অনুষ্ঠান হ'ল পুতলাভিনয়। পুতলাভিনয়ৰ চাৰিটা ভাগ— সুতাৰে পৰিচালনা কৰা পুতলা, ছায়া পুতলা, লাঠিৰে পৰিচালনা কৰা পুতলা আৰু হাতেৰে পৰিচালনা কৰা পুতলা। অসমীয়া পুতলাভিনয়ত— সীতাহৰণ, মৰীচবধ, জটায়ুবধ, বালিবধ, সত্যবান সাৱিত্রী, বেউলা-লখিন্দৰ আদি নাট প্রস্তুত কৰা হয়। এই নাট মুখ পৰম্পৰাত প্রচলিত। পুতলাভিনয় সাধাৰণতে ৰাতি অনুষ্ঠিত হয় আৰু এই অভিনয় ডেৰ-দুই ঘণ্টাৰ ভিতৰত শেষ হয়।
- **ঢুলীয়া ভাউৰা বা ভাইৰা ঃ** অসমীয়া লোক-পৰিৱেশ্য কলাৰ অন্যতম কলা কামৰূপৰ ঢুলীয়া ভাইৰা। পৌৰাণিক কাহিনীৰ লগত জড়িত আৰু সমকালীন সমাজৰ সামাজিক আচৰণাদিক তীব্রভাৱে ব্যঙ্গ আৰোপ কৰি অভিনয় কৰা হয়। গোটেই ৰাতিটো একেৰাহে ঢোল বজাই নৃত্য গীত অনুষ্ঠান কৰা জটিল যদিও এই নাট্যানুষ্ঠানে এই পথ প্রশস্ত কৰি তোলে। ঢুলীয়াৰ লগত জড়িত অভিনয়ত পাত্র-পাত্রীয়ে মুখা ব্যৱহাৰ কৰে। কাহিনীবোৰ হ'ল— খটাসুৰ বধ, সীতাহৰণ, অন্ধমুণিৰ অভিশাপ, অভিমন্যু বধ, কুৰুক্ষেত্র যুদ্ধ, কর্ণবধ, সীতাৰ সয়ম্বৰ, লৱকুশৰ যুদ্ধ; এইবোৰৰ উপৰিও চীন ভাৰতৰ যুদ্ধ, জয়মতী আদি ঐতিহাসিক বিষয়বস্তুক লৈও অভিনয় কৰে। ঢুলীয়া ভাইৰাত সামাজিক ঘটনাৰ ওপৰতো নাট্যকাহিনী প্রস্তুত কৰে— বুঢ়াৰ বিয়া, চোৰ পুলিচ ইত্যাদি।
- **কুশান গান ঃ** ৰামায়ণৰ কথাকতাত কুশান গানৰ জন্ম হয়। কুশান গান অনুষ্ঠিত হয়

বিভিন্ন পূজা উপাসনাৰ প্ৰসঙ্গত। গোৱালপাৰাৰ ৰাজবংশীসকলৰ মাজত এই অনুষ্ঠান প্ৰত্যক্ষ কৰা হয়। মূল গীদালে ভূনি, চোলা, চাদৰ আদি লয়। পালিসকলেও ভূনি, চোলা ব্যৱহাৰ কৰে আৰু দোৱাৰীয়ে কঁকালত আঠুমুৰীয়া ভূনি পিন্ধে আৰু কান্ধত গামোচা লয়। বায়নসকলে ধুতী চোলা পিন্ধে। ছকৰীসকলে শাৰী পাতি নৃত্য কৰে। দোতৰা বজায়, খোল-তাল-জুৰি আদিৰে কাহিনী গীত পৰিৱেশন কৰে।

- **ভাৰী গান ঃ** ভাৰী শব্দৰ অর্থ পুৰণি অসমীয়া আৰু পুৰণি বাংলাত ওজন বেছি। ঘাইকৈ পাতি ৰাভা সম্প্ৰদায়ৰ লোকসকলৰ মাজত আজিও ভাৰী গানৰ অভিনয় কৰা দেখা যায়। ইয়াৰ উল্লেখযোগ্য বৈশিষ্ট্য হৈছে মুখাৰ ব্যৱহাৰ। সাধাৰণতে দেৱী চৰিত্ৰ বা মানৱী চৰিত্ৰই মুখা ব্যৱহাৰ নকৰে; দৈত্য, দানৱ, ৰাক্ষস, হনুমান, জাম্বুৱন্ত আদি জীৱজন্তুৰ প্ৰতিনিধিত্বমূলক চৰিত্ৰবিলাকেহে মুখা ব্যৱহাৰ কৰে। ভাৰীগান মঞ্চস্থ হয় মুকলি ঠাইত ৰভাৰ তলত। মূল গায়কজন মূল গীদাল বা গাঁৱলীয়া নামে জনাজাত। ২০-২৫জন ভাওৰীয়া থাকে। খুলীয়াই যুদ্ধৰ ছেৱৰ বাহিৰে ১২টা ছেও বা বোল প্ৰদৰ্শন কৰে। প্ৰসাধনত পিঠাগুৰি, চুন, সেন্দূৰ, হালধী, ছাই আদি ৰং সানে। বোৱা চুৰীয়া পিন্ধে। মূল গায়কে ডিঙিত ফুলাম গামোছা লয়। মহিলাসকলে ৰাভা নাৰীৰ পোছাক পৰিধান কৰে। ভাৰী গানৰ অভিনয়ত যুদ্ধৰ বর্ণনাই প্ৰাধান্য লাভ কৰে। কৃতিবাসী ৰামায়ণ আৰু কাশীদাসী মহাভাৰতৰ পৰা ইয়াৰ কাহিনী বস্তু লোৱা হয়। আধুনিক পোহৰৰ ব্যৱস্থা নথকাৰ বাবে পাতি ৰাভা সকলে আগত আঁৰিয়া জ্বলাই অভিনয় কৰিছিল।
- **খুলীয়া ভাউৰীয়া ঃ** খুলীয়া ভাউৰীয়াৰ ভাৱৰীবিলাক হ'ল ৰাম, লক্ষণ, ভৰত, শত্ৰুঘ্ন, দশৰথ, ৰাৱণ, বিভীষণ, কৌশল্যা, সীতা, যুধিষ্ঠিৰ, ভীম, অর্জুন, নকুল, সহদেৱ, ভীষ্ম, দ্ৰোণ, দুর্য্যোধন, বিৰাট, দ্ৰৌপদী, কুন্তী, সুভদ্ৰা, খটাসুৰ, বঘাসুৰ, লৱ-কুশ, বাল্মিকী, বশিষ্ঠ ইত্যাদি। অসমীয়া লোক-পৰিৱেশ্য কলাৰ নাটবোৰ মানুহৰ মুখে মুখেই প্ৰচলিত আছিল। এতিয়া ইয়াৰ লিখিত ৰূপ পোৱা যায়। নাটবোৰ এনে ধৰণৰ— লৱণ দৈত্যবধ, লক্ষণৰ শক্তিশেল, হৰিশ্চন্দ্ৰ উপাখ্যান, ৰাৱনবধ, খটাসুৰ বধ, দ্ৰৌপদীৰ স্বয়ম্বৰ, বঘাসুৰ বধ, পাণ্ডৱৰ বনবাস, দুশাসন বধ, ভীষ্মৰ শৰশয্যা, কালকুঞ্জশোষক বধ ইত্যাদি *ৰামায়ণ-মহাভাৰত* আশ্ৰিত কাহিনী খুলীয়া ভাউৰীয়াৰ কাহিনী। কৃতিবাসী *ৰামায়ণ* আৰু কাশীবাসী *মহাভাৰতৰ* কাহিনীও বিদ্যমান। খুলীয়া ভাউৰীয়াৰ অভিনেতা আৰু দর্শক উভয়ে গএণ ৰাইজ। সমাজৰ বিভিন্ন পৰিস্থিতিত এই নাটৰ অভিনয় হয়। বিভিন্ন ঋতুকালীন, সংস্কাৰমূলক আৰু পঞ্জিকা আশ্ৰয়ী, উৎসৱ-অনুষ্ঠান, পূজা-পাতলৰ প্ৰসঙ্গত খুলীয়া অভিনয় অনুষ্ঠিত হয়। ইয়াৰ বাবে স্থায়ী মঞ্চৰ প্ৰয়োজন নাই। অকল বহুৱা চৰিত্ৰই নহয়; আন আন চৰিত্ৰসমূহৰ বচন আৰু কার্যৰ জৰিয়তে হাস্যৰস প্ৰকাশৰ প্ৰৱণতা প্ৰকাশ পায়। খুলীয়া নাটকত দুখ বিষাদ অশ্রু থাকিলেওমুঠতে সমগ্ৰ নাটখনেই যেন হাস্য, ব্যঙ্গ মিলনান্দৰ ভাববিশিষ্ট।

খুলীয়া অনুষ্ঠান ৰাতি দহমান বজাৰ পৰা আৰম্ভ হৈ কাহিলী পুৱাত শেষ হয়। ইয়াৰ ভাষা স্থবিৰ নহয়; গতিশীল, পৰিৱর্তনশীল সমাজ পৰিৱর্তনৰ লগে লগে ভাষাৰো পৰিৱর্তন ঘটে। এইবিধ কলা মানুহৰ মুখ পৰম্পৰাত চলি আহিছে।

- **ধু�ৰা নাট ঃ** ধুৰা নাট বা ভাওনা নাটত ব্রজাৱলী ভাষাৰ প্রয়োগ লক্ষ্য কৰা নাযায়, পুৰণি অসমীয়া ভাষাৰ প্রয়োগহে লক্ষ্য কৰা যায়। ইয়াত গদ্যৰ ব্যৱহাৰ পোৱা নাযায়, সংলাপবোৰ পদ বা পয়াৰত পোৱা যায়। অসমীয়া লোক-পৰিৱেশ্য কলাৰ নাটসমূহ হ'ল— *খটাসুৰ বধ, বঘাসুৰ বধ, নহুষ উদ্ধাৰ, কুলাচল বধ, পাণ্ডৱৰ বনবাস, সুভদ্রা হৰণ, অভিমন্যুৰ চক্রবেহু, দ্রোণাচার্য্য বধ, শকুনিৰ প্রতিশোধ*ইত্যাদি।
- **পালাগান ঃ** অসমীয়া লোকসমাজত প্রচলিত পালা গানৰ ওজা বা সূত্রধাৰ বা গীদাল নাথাকে; থাকে বিবেক নামৰ এটি চৰিত্র। যাত্রাত পুৰুষ সমাজৰ পৰা বিবেক হয়। কিন্তু পালাগানত বিবেকক নির্বাচন কৰা হয় স্ত্রী সমাজৰ পৰা। সাধাৰণতে তেওঁ অকুমাৰী হোৱা উচিত। বিবেক চৰিত্রটোৱে হালধীয়া গ্রাউন ফ্রক পৰিধান কৰে। দুই ভৰিত ঘুগুৰা বান্ধি লোৱা দেখা যায়, মূৰৰ চুলি আৰু দেহটো আবুৰ কৰি এখন হালধীয়া চাদৰ ব্যৱহাৰ কৰে।বিবেকে গীত নৃত্যৰ জৰিয়তে মঞ্চনির্দেশ কৰে আৰু কোন চৰিত্রই কাৰ পিছত কি ক'ব, কি নক'ব ইত্যাদিৰ নির্দেশ দিয়ে। কোনো চৰিত্রৰ অন্তর্দ্বন্দ্বৰ মুহূর্তত বিবেকে সজ উপদেশ দিয়ে। পালাগানৰ সংলাপবোৰ স্পষ্ট, চমু, সৰল আৰু প্রত্যক্ষ।জটিলতা আৰু অস্পষ্টতা পালাগানত নাই। পালাগানো খোলা মঞ্চত অভিনীত হয়। অভিনয়ত চৰিত্রবিলাকে অস্ত্র-শস্ত্রৰ ভিতৰত ধনু-কাড় আৰু তৰোৱাল ব্যৱহাৰ কৰা দেখা যায়। বাদ্যশিল্পীসকল হাৰমনিয়াম বাদক, তবলা বাদক, ঢোল বাদক, মঞ্জৰি বা সৰুতাল বাদক। বাদ্যশিল্পী, কণ্ঠশিল্পী আৰু বাদ্যযন্ত্রৰ সৈতে দলটোক সাধাৰণভাৱে 'আচৰ' বোলে। অভিনয় আৰম্ভ হয় এটা গণেশ বন্দনাৰে। লোকনাটৰ দৰে পালানাটতো চৰিত্রবিলাকে নিজেই গীত গায়। পালানাটৰ অভিনয় চতুঃপ্রকাৰ অভিনয়ৰ সমষ্টি। পালানাটৰ ভাষা লোকজীৱনৰ ভাষা।
- **অঙ্কীয়া নাট ঃ** মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱ অঙ্কীয়া নাটৰ জন্মদাতা। তেওঁৰ লগতে মাধৱদেৱ আৰু পৰৱর্তী সন্ত মহন্তসকলে নাট লিখে।শঙ্কৰদেৱে লিখা অঙ্কীয়া নাটক ছয়খন। মাধৱদেৱে লিখা নাটবোৰক ঝুমুৰা বুলি কোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া লোকসংস্কৃতিৰ চমু পৰিচয় আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত লিখক)

প্রশ্ন নং ২ ঃ অসমীয়া লোকসংস্কৃতিক কি দৰে শ্রেণীবিভাজন কৰা হৈছে? (২৫০টা

শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ৩ ঃ অসমীয়া লোকসংস্কৃতিৰ মৌখিক সাহিত্য বা বাচিক কলাৰ এটি চমু পৰিচয় আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ৪ ঃ অসমীয়া লোকসংস্কৃতিৰ ভৌতিক সংস্কৃতিৰ দিশ কেইটা উল্লেখ কৰক। (২৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ৫ ঃ অসমীয়া লোকসংস্কৃতিৰ সামাজিক লোকাচাৰ কাক বোলে? সামাজিক লোকচাৰ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন নং ৬ ঃ অসমীয়া লোকসংস্কৃতিৰ লোক-পৰিৱেশ্য কলাৰ বিভিন্ন দিশসমূহৰ চমু পৰিচয় দিয়ক। (২৫০টা শব্দৰ ভিতৰত লিখক)



২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া লোকসংস্কৃতিৰ চমু পৰিচয় লাভ কৰিলোঁ।
- অসমীয়া লোকসংস্কৃতিৰ শ্ৰেণী বিভাজনৰ বিভিন্ন দিশৰ বিষয়ে অৱগত হ'লোঁ।
- অসমীয়া মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকাচাৰ আৰু লোক-পৰিৱেশ্য কলাৰ মাধ্যমেৰে লোকসংস্কৃতিৰ দিশসমূহৰ বিষয়ে ধাৰণা লাভ কৰিলোঁ।
- অসমীয়া লোকসংস্কৃতিৰ বিভিন্ন শ্ৰেণীসমূহে লোকজীৱনৰ আচাৰ-ব্যৱহাৰ, কলা-সংস্কৃতিক কেনেদৰে প্ৰতিফলিত কৰিছে সেই বিষয়ে অৱগত হ'লোঁ।



২.৬ অধিক জানিবলৈ

১) গগৈ, লীলা (১৮৮২); *অসমৰ সংস্কৃতি*; যোৰহাট।

২) বৰদলৈ, নিৰ্মলপ্ৰভা (২০০৪); *অসমৰ লোকসংস্কৃতি*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৩) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৮৯); *অসমত লোকসংস্কৃতি*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৪) ভট্টাচাৰ্য্য, প্ৰমোদ চন্দ্ৰ (সম্পা.) (১৯৬২); *অসমৰ জনজাতি*; গুৱাহাটী ঃ লয়াৰ্ছ বুক ষ্টল।

৫) শৰ্মা দলৈ, হৰিনাথ (২০০৩); *বাৰেৰৱণীয়া অসম*; পদ্মপ্ৰিয়া লাইব্ৰেৰী।

৬) শৰ্মা, নবীন চন্দ্ৰ (১৯৮৯); *অসমীয়া লোকসংস্কৃতিৰ আভাস*; পাণবজাৰ গুৱাহাটী ঃ বাণী প্ৰকাশ।

৭) শৰ্মা, নবীন চন্দ্ৰ (২০০৯); *অসমৰ সাংস্কৃতিক ইতিহাস*, (দ্বিতীয় খণ্ড); অসম সাহিত্য সভা, যোৰহাট।

৮) শৰ্মা, শশী (১৯৯৩); *অসমৰ লোকসাহিত্য*; গুৱাহাটী ঃ ষ্টুডেণ্টচ ষ্টোৰ্হ।

৯) ৰাজবংশী, পৰমানন্দ (সম্পা.) (২০০৩); *অসমীয়া জাতি আৰু সংস্কৃতি*; অসমীয়া বিভাগ,

প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী।



২.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া লোকসংস্কৃতিৰ চমু পৰিচয়।

২নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া লোকসংস্কৃতিৰ শ্ৰেণী বিভাজনসমূহৰ উল্লেখ আৰু তাৰ গুৰুত্ব।

৩নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া লোকসংস্কৃতিৰ মৌখিক সাহিত্যসমূহৰ পৰিচয় আৰু বিভিন্ন দিশসমূহৰ চমু উল্লেখ।

৪নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া লোকসংস্কৃতিৰ ভৌতিক সংস্কৃতি সম্পৰ্কে আলোচনা কৰিব লাগিব আৰু দিশসমূহৰ চমু পৰিচয় দিব লাগিব।

৫নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া লোকসংস্কৃতিৰ সামাজিক লোকচাৰ কাক বোলে লিখিব লাগিব আৰু চমুকৈ সামাজিক লোকাচাৰৰ পৰিচয় আগবঢ়াব লাগিব।

৬নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া লোকসংস্কৃতিৰ লোক-পৰিৱেশ্য কলা কাক বোলে লিখি লাগিব আৰু দিশসমূহৰ চমু পৰিচয় দিব লাগিব।



২.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমীয়া লোকসংস্কৃতিৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ অসমীয়া লোকসংস্কৃতিৰ শ্ৰেণীবিভাজন সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ অসমীয়া লোকসংস্কৃতিৰ অন্তৰ্গত মৌখিক সাহিত্য বা বাচিক কলাৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৪ ঃ অসমীয়া লোকসংস্কৃতিৰ অন্তৰ্গত ভৌতিক সংস্কৃতিৰ দিশসমূহ আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ সামাজিক লোকাচাৰ কাক বোলে? সামাজিক লোকাচাৰ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৬ ঃ অসমীয়া লোকসংস্কৃতিৰ অন্তৰ্গত এটা উল্লেখযোগ্য ভাগ হৈছে লোক-পৰিৱেশ্য কলা। লোক-পৰিৱেশ্য কলাৰ বিভিন্ন উপাদানৰ মাজেদি লোক জীৱনৰ কি কি দিশ ফুটি উঠা পৰিলক্ষিত হয়?

*** ***** ***